# MAYANG ANCHALIK COLLEGE

## HOME ASSIGMENT

## DEPARTMENT OF EDUCATION

PAPER CODE –EDN- HD - 5026

SEMESTER : 5TH SEMESTER

SUBMITTED TO

KABITA MEDHI

ASSTT. PROFESSOR

DEPARTMENT OF EDUCATION

6

8/12/21

**SUBMITTED BY**

**NAME : BIBEKANANDA MALO**

**CLASS : 5TH SEMESTER**

EXAM ROLL NO- UA-191-340-0168 (54)

C. Roll-54

Q.NO-1. জন্মৰ পৰৱৰ্তী অৱস্থাৰ বিকাশ প্ৰক্ৰিয়াৰ তিনিটা স্তৰৰ বিষয়ে বহলাই লিখা ?

Ans: জন্মৰ পূৰ্বৱৰ্তী অৱস্থাৰ বিকাশ আৰু প্ৰয়োজনীতা :

পৃথিৱীৰ সকলো প্ৰাণীৰ দৰে মানৱ শিশুও হৈছে প্ৰতিক্ৰিয়াশীল জীৱ। শিশু এটিৰ বৈদৈহিক প্ৰতিক্ৰিয়াৰ যোগেদিয়ে শিশুৰ মন আৰু তাৰ দ্বাৰা পৰিচালিত আচৰণে পৰিৱেশত আত্মপ্ৰকাশ লাভ কৰে। সেয়েহে শিশু এটিৰ দৈহিক সাংগঠনিক অৱস্থা আৰু তাৰ প্ৰতিক্ৰিয়াশীল আচৰণসমূহৰ কথা মনোবিজ্ঞানৰ অধ্যয়ন বিষয়বস্তু হয়।

এগৰাকী শিশুৱে তাৰ আকাৰ-আকৃতি, ক্ষমতা আদি মাক-দেউতাকৰ পৰা দৈহিক উত্তৰাধিকাৰ স্বৰূপে বা পূৰ্ব পুৰুষসকলৰ পৰা বংশানুক্ৰমিকভাৱে লাভ কৰে। শিশু এটিৰ ভৱিষ্যত বহুমুখী বিকাশৰ মূলধন হৈছে জৈৱিক বংশগতি। বংশগতিয় উপাদানৰ ওপৰত ভিত্তি কৰিয়েই শিশুৰ জীৱনে পাতনি মেলে, বিকাশৰ বিভিন্ন শিক্ষা আচনি ৰচিত হয়। শিশু বিকাশৰ যিকোনো সাৰ্থক আচনি আৰু পৰিচালনা কৰিবলৈ হলে শিশুৰ কৰ্মশক্তি, চিন্তন ক্ষমতা, স্মৃতিশক্তি আদিৰ বিষয়ে অৱগত হ'ব লাগে। শিশুৰ জন্মগত দৈহিক শক্তি আৰু ক্ষমতাবোৰৰ স্বৰূপ কেনে, এই

ক্ষমতাবোৰৰ যোগেদি সি কেনে ধৰনৰ প্ৰতিক্ৰিয়া কৰিব পাৰে, ইয়াৰ কোনবোৰ দিশ দোষমুক্ত হব পাৰে আৰু এইক্ষেত্ৰত মাক-দেউতাকে প্ৰতিকাৰ হিচাপে কেনে ভূমিকা গ্ৰহন কৰিব লাগে আদি সকলো কথা বিকাশশীল মনোবিজ্ঞানৰ বাবে অধ্যয়নৰ বিষয়বস্তু। শিশু এটিৰ দোষমুক্ত দৈহিক অস্তিত্ব বা ক্ষমতাক আগতীয়াকৈ জানিব পাৰিলে তাক প্ৰতিকাৰৰ ব্যৱস্থা গ্ৰহন কৰিব পৰা যায়। আৰু শিশুৰ নিম্নমানৰ বিকাশৰ স্বাভাৱিক অৱস্থালৈ জানিব পৰা যায়। বিশেষকৈ মাতৃসকলে শিশুৰ দৈহিক দিশৰ কিছু কথা আধাৰণভাৱে জানিব পাৰিলে শিশুৰ প্ৰতি নিজৰ অজ্ঞাতে কৰিব পৰা ক্ষতিসাধন আৰু অবিচাৰ এৰাই চলিব পাৰে। শিশু এগৰাকীয়ে পৰিৱেশত কেনেদৰে সমাযোজনা কৰিব, শিক্ষা-দীক্ষা আদিত কেনেদৰে উপযুক্ত যতন লব আদি সকলো ক্ষেত্ৰতে জৈৱিক কাৰণ নিহিত হৈ আছে। সেয়েহে বংশানুক্ৰমিকভাৱে লাভ কৰা শিশুৰ দৈহিক বিকাশৰ সম্ভাৱনীয়তাসমূহক অধ্যয়ন কৰাটো নিতান্তই প্ৰয়োজন।

## জন্মৰ পূৰ্ববৰ্তী অৱস্থাৰ বিকাশ:

শিশুৰ জন্মৰ পূৰ্বৰ অৱস্থাৰ বিকাশ প্ৰত্যক্ষভাৱে দৰ্শনীয় নহয়। জীৱ জগতৰ আন প্ৰাণীৰ দৰে মানুহৰ ক্ষেত্ৰতো স্ত্ৰী-পুৰুষৰ দৈহিক মিলনৰ ফলত হোৱা জৈৱ ৰাসায়নিক প্ৰক্ৰিয়াৰ সক্ৰিয় অৱস্থাৰ বাবে মাতৃগৰ্ভত সন্তানে স্থিতি লাভ কৰি উঠে।

মনোবিজ্ঞানীসকলৰ মতে মাতৃগৰ্ভত মানৱ শিশু এটিৰ বিকাশ প্ৰক্ৰিয়াক মূখ্যতঃ তিনিটা স্তৰত ভাগ কৰিব পাৰি। সেই স্তৰকেইটা হ'ল (i) গৰ্ভধাৰণ স্তৰ (Stage of Conception)

(ii) ভ্ৰূণৰ পৰ্যায় বা স্তৰ (Embricoynic stage)

(iii) পৰিপুষ্ট ভ্ৰূণৰ স্তৰ (Maturced embricyonoc stage or fetal stage)

(i) গৰ্ভধাৰণ স্তৰ (Stage of conception) স্ত্ৰী আৰু পুৰুষৰ দৈহিক মিলনৰ ফলস্বৰূপে হোৱা জৈৱ ৰাসায়নিক প্ৰক্ৰিয়াৰ বাবে স্ত্ৰীৰ ডিম্বানু আৰু পুৰুষৰ শুক্ৰানু সংযোজিত হৈ স্ত্ৰী জেৰায়ুত এটা আৰম্ভণি ডিম্বকোষৰ সৃষ্টি হয় আৰু এটা জীৱই স্থিতি লাভ কৰে। এই মূহুৰ্তৰ পৰা প্ৰায় দুসপ্তাহ পিছলৈকে হোৱা মাতৃগৰ্ভৰ বিকাশক আৰম্ভণি ডিম্বকোষৰ পৰ্যায় বুলি কোৱা হয়। স্ত্ৰী-পুৰুষৰ দৈহিক সংযোগৰ ফলত অসংখ্য শুক্ৰানুৱে মাতৃগৰ্ভত নিঃসৃত হোৱা পুৰুষৰ ~~অ~~ অসংখ্য শুক্ৰানুৱে মাতৃগৰ্ভত ফেলপিয়ান টিউবলৈ (Fellopian Tube) জেৰায়ু (Uterus) আৰু ফেলপিয়ান টিউবলৈ ক্ৰমাগতভাৱে বেগেৰে গতি কৰে আৰু সদ্য সৃষ্ট ডিম্বকোষ ক্ৰমাগতভাৱে বেগেৰে গতি কৰে আৰু লাহে লাহে মাতৃগৰ্ভৰ প্ৰায় তিনিৰ পৰা পাঁচদিনৰ ভিতৰত লাহে লাহে মাতৃগৰ্ভৰ জেৰায়ুলৈ নামি যায়। ইয়াৰ পিছত আৰম্ভণি ডিম্বকোষটোৱে জেৰায়ুত নিজকে সংস্থাপিত কৰে।

স্ত্ৰীৰ জেৰায়ুত নিজকে সংস্থাপিত কৰা আৰম্ভণি ডিম্বকোষটোৰ মাতৃগৰ্ভত স্থিতি লাভ কৰা আৰম্ভণি ডিম্বকোষটোৱে মাতৃগৰ্ভত স্থিতি লাভ কৰি দৈহিক সংযোগ নথাকে প্ৰথম অৱস্থাত মাতৃৰ লগত কোনো দৈহিক সংযোগ নথাকে বিকাশ লাভ কৰে। সেয়েহে ই পৰিপুষ্ট আৰু বিকাশ লাভ কৰে সেয়েহে ই পৰিপুষ্ট আৰু বিকাশ লাভ কৰে ডিম্বকোষৰ ওপৰি ভাগ চাৰিওফালে যি খাদ্য প্ৰাণ মজুত থাকে তাক গ্ৰহণ কৰিয়ে আৰম্ভণি ডিম্বকোষৰ ওপৰি ভাগ চাৰিওফালে তাক গ্ৰহণ কৰিয়ে আৰম্ভণি ডিম্বকোষৰ ওপৰি ভাগ চাৰিওফালে যি খাদ্য প্ৰাণ মজুত থাকে তাক গ্ৰহণ কৰি ইয়াৰ দ্ৰুত বৃদ্ধি হয়।

ইয়াৰ ফলস্বৰূপে মূল জীৱকোষটো এটাৰ পৰা দুটালৈ দুটাৰ পৰা চাৰিটালৈ আৰু চাৰিটাৰ পৰা আঠটালৈ এই গতিৰে ক্ৰমে বৃদ্ধি হৈ বহু কোষবিশিষ্ট মানৱ শিশুৰ আকৃতিত পৰিণত হয়গৈ ইয়াকে ভ্ৰূণ (Embryo) বুলি কোৱা হয়।

## ভ্ৰূণৰ প্ৰাথমিক পৰ্যায় (Embryonic stage)

এগৰাকী স্ত্ৰী গৰ্ভধাৰণ দুসপ্তাহ সময়ৰ পিছৰ পৰা দুমাহ সময় অতিবাহিত হোৱালৈকে বিকাশ এই কালছোৱা ভ্ৰূণৰ প্ৰাথমিক পৰ্যায় স্বৰূপে গণ্য কৰিব পাৰি। এই (Embryonic stage) সময়ছোৱাত মানৱ শিশুৰ দৈহিক আকাৰ - আকৃতি ধাৰণ কৰি বাহ্য আৰু আভ্যন্তৰ ভাগৰ অংশসমূহ গঢ় লৈ উঠে।

ভ্ৰূণ এটাৰ কোষসমূহ প্ৰায় অৰ্ধ গোলাকৃতিৰ দৰে হয়। এই সময়ত ভ্ৰূণটোৰ দেহৰ নিম্ন অংশৰ তুলনাত মূৰৰ অংশৰ দ্ৰুত বিকাশ হয়। যিটো অংশৰ পৰা মূৰত আৰু মগজুৰ সৃষ্টি হয় সেই অংশটো স্ফীত হৈ উঠে আৰু তাৰ পৰা চকু ওলাব লগা অংশ দুটাত সামান্য গাতৰ সৃষ্টি হয়। ভ্ৰূণৰ দেহৰ আভ্যন্তৰ ভাগৰ অৰ্থাৎ মস্তিষ্ক, কলিজা হাঁওফাঁও, পাকস্থলী, যকৃত আদিও গঢ় লৈ উঠিবলৈ ধৰে। ভ্ৰূণৰ এই সময়ৰ পৰা কলিজাৰ স্পন্দনো আৰম্ভ হয়। ক্ৰমে বিকশিত হ'বলৈ ধৰা ভ্ৰূণ-টোৰ একো একোটা অংশ বাঢ়ি আহি হাত আৰু ভৰিৰ আকাৰ ধাৰণ কৰে। গৰ্ভধাৰণৰ প্ৰায় পঞ্চম সপ্তাহৰ [illegible] আকাৰে গঢ় লৈ উঠে। ইয়াৰ উপৰিও প্ৰায়

দেৰমাহ পিছত ভ্ৰূণৰ চকু কাণ আদি গঢ় লৈ উঠে মুখমণ্ডলৰ আকৃতি অধিক স্পষ্ট হৈ উঠিবলৈ ধৰে।

গৰ্ভধাৰণৰ দুমাহ পিছত জৰায়ুৰ আৱৰণৰ ওপৰত গঠিত হৈ থকা প্লেচেন্টা অধিক বৃদ্ধি পায় আৰু নাড়ী অধিক সক্ৰিয় হৈ উঠে। ভ্ৰূণৰ কেইফালে থকা আৱৰণত পানীৰ বেগৰ এবিধ জলীয় পদাৰ্থ গোট খায়। এই জলীয় পদাৰ্থই ভ্ৰূণৰ ৰক্ষণাবেক্ষণ আৰু পুষ্টি সাধনত সহায়তা কৰে। মাতৃৰ ৰক্ত কণিকাৰ লগত নাড়ীৰ সংযোগ ভ্ৰূণৰ বাবে প্ৰয়োজন হোৱা খাদ্যপ্ৰাণ, পানী আৰু অক্সিজেন বায়ু চলাচল হয়। এই সময়ত মাতৃৰ লগত ভ্ৰূণৰ দৈহিক সম্বন্ধ স্থাপিত হয়। তাৰ পিছৰ অৱস্থাত জৰায়ুৰ আকাৰ ক্ৰমে বাঢ়ি যায় আৰু ক্ৰমবিকাশৰ ভ্ৰূণে মাতৃগৰ্ভত প্ৰায় ওপৰাউ থকা অৱস্থাত থাকে আৰু লৰচৰ কৰিব পৰা হয় তল-ওপৰ হ'ব পৰা হয়। ভ্ৰূণৰ এই প্ৰাথমিক পৰ্যায়ৰ অন্তত ভ্ৰূণে প্ৰত্যক্ষ মানৱ শিশুৰ আকাৰ ধাৰণ কৰে। আৰু দেহৰ আভ্যন্তৰীণ ক্ৰিয়া কলাপসমূহ স্বতন্ত্ৰভাৱে কৰিব পৰা হয়। ভ্ৰূণৰ এই অৱস্থাক পৰিপুষ্ট ভ্ৰূণ (Fetus) বুলি কোৱা হয়।

## পৰিপুষ্ট ভ্ৰূণৰ পৰ্যায় (Fetal stage)

গৰ্ভধাৰণৰ দুমাহ পিছৰে পৰা মানৱ শিশু এটিৰ আকাৰ ধাৰণ অৰ্থাৎ জন্ম মুহূৰ্তলৈ বিকাশৰ এই সময়চোৱাক পৰিপুষ্ট ভ্ৰূণৰ পৰ্যায় (Fetal stage) বুলি কোৱা হয়। এই সময়ত ভ্ৰূণৰ আকাৰ দৈৰ্ঘ্য আৰু ওজন বৃদ্ধি হোৱাৰ উপৰি বহিঃ আৰু

অন্তঃ ভাগৰ অংগ-প্ৰত্যংগবোৰৰ গঠন সম্পূৰ্ণ হৈ উঠে।

মাতৃগৰ্ভত ভ্ৰূণৰ অৱস্থিতি বৈনুভিৰীয়া অৱস্থাত থাকে। প্ৰায় চাৰিমাহৰ পৰা সুৰটো ষ্টেথ্ৰিৰপৰা শোন কৰিব পৰা হয়। দেহৰ বহিঃ ভাগত নখ, চুলি আদি ওপ্লাবলৈ ধৰে, দাঁতৰ আলুৰ ভিতৰ ভাগত দাত গঢ় লৈ উঠে। পাঁচ মাহৰ সামান্যভাৱে হাত-ভৰি লৰোৱাৰ উমান মাকে গম পোৱা হয়। ইয়াৰ উপৰি ভ্ৰূণৰ ক্ৰন্দনো অনুভৱ কৰিব পৰা হয়। ছমাহত ভ্ৰূণটোৱে ভৰিৰে গোৰ মৰা আৰু হাতৰ কিলাকুটি লৰোৱা স্পষ্টভাৱে অনুভৱ কৰিব পৰা হয়। সাত মাহত পৰিপুষ্ট ভ্ৰূণটোৰ বহিঃ আৰু অন্তঃভাগটোৰ বিকাশ প্ৰায় সম্পূৰ্ণ হৈ উঠে আৰু কিবা কাৰণত জন্মকালৰ পূৰ্বেই যদি শিশু এটিৰ জন্ম হ'ব লগা হয় তেনে ক্ষেত্ৰত শিশুটিৰ প্ৰাণ ৰক্ষা কৰাটো সম্ভৱ হয়। গৰ্ভধাৰণৰ সপ্তম মাহটোতে ভ্ৰূণ এটাৰ ওজন ৪৫০ গ্ৰাম অৰ্থাৎ এক পাউণ্ড হয়। অষ্টম মাহত এই ওজনে বৃদ্ধি পাই প্ৰায় দুগুণ হয়গৈ আৰু এনেকৈ বাঢ়ি গৈ নৱম মাহত এই ওজনৰ সৈতে সপ্তাহত পাউণ্ডকৈ বাঢ়ি যায়। এই সময়ছোৱাত বিকাশ প্ৰক্ৰিয়া অতি ক্ষিপ্ৰ হয়। ভ্ৰূণৰ বিকাশৰ এই অন্তিম পৰ্যায়ত তাৰ শ্বাস-প্ৰশ্বাস আৰু আভ্যন্তৰীন অংগসমূহৰ বিকাশ ক্ষিপ্ৰতৰ হৈ উঠে। এনেদৰে গৰ্ভধাৰণৰ সময়ৰ পৰা প্ৰায় ন মাহৰ অন্তত মাতৃগৰ্ভত পূৰ্ণ বিকাশপ্ৰাপ্ত হৈ শিশু এটা গড় হিচাপে ২৬৬ দিনৰ পিছত ভূমিষ্ঠ হয়।

— x —